**আইনী প্ৰতিনিধিসকলৰ যোগেদি এচ. কে. পাটনায়ক (মৃত)**

***বনাম***

**উৰিষ্যা চৰকাৰ আৰু অন্যান্য**

**১৪ ডিচেম্বৰ, ১৯৯৯**

**[মুখ্য ন্যায়াধীশ ড° এ. এচ. আনন্দ, ন্যায়াধীশ এম. জগন্নাধা ৰাও,**

**আৰু ন্যায়াধীশ ভি. এন. খাৰে]**

*আবকাৰী আইন:*

*বিহাৰ আৰু উৰিষ্যা আবকাৰী আইন, ১৯১৫:*

*ধাৰা ২৭ আৰু ২৮ – আবকাৰী শুল্ক আৰু ক্ষতিপূৰণ শুল্ক – ভাৰতত প্ৰস্তুত কৰা বিদেশী সুৰাত শুল্ক আৰোপণ – উৰিষ্যা ৰাজ্যলৈ আমদানি – অনুজ্ঞাপত্ৰপ্ৰাপ্ত সুৰক্ষিত গুদামত সংৰক্ষণ কৰা হয় – মজুত ৰখা সামগ্ৰীত গেদ পৰে আৰু সেয়া মানুহে সেৱন কৰাৰ বাবে অনুপযোগী বুলি গণ্য কৰা হয় আৰু ধ্বংস কৰা হয় – ক্ষতিপূৰণ শুল্ক দাবী কৰা হয় – ৰায় দিয়া হয় যে এয়া সম্পূৰ্ণৰূপে ন্যায়সংগত - যিহেতু আবকাৰী শুল্ক বা ক্ষতিপূৰণ শুল্ক প্ৰযোজ্য হোৱাৰ কৰযোগ্য পৰিঘটনাটো হৈছে আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰীৰ ৰাজ্যত প্ৰস্তুতকৰণ বা ৰাজ্যলৈ আমদানি, সেয়েহে কৰযোগ্য পৰিঘটনা সংঘটিত হোৱাৰ লগে লগে শুল্ক আৰোপণ প্ৰযোজ্য হ'ব লাগে আৰু আইন বা তাৰ অধীনত সৃষ্টি কৰা নিয়মাৱলীৰ অধীনত শুল্ক সংগ্ৰহ মূলতবী ৰখাৰ সুবিধাই আমদানিকৃত সামগ্ৰীৰ ওপৰত শুল্ক আৰোপ কৰাৰ ওপৰত কোনোধৰণে প্ৰভাৱ পেলা নোৱাৰে - আমদানিৰ পাছত সুৰাখিনি মানুহৰ সেৱনৰ বাবে অনুপযোগী বুলি গণ্য কৰা তথা ধ্বংস কৰা, যিটোত আপোনা-আপুনি শুল্ক আৰোপণ প্ৰযোজ্য,*

*সেই তথ্যটোৱে সুৰক্ষিত গুদামত আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰীৰ আমদানিৰ পাছত আবেদনকাৰীক তাৰ ওপৰত আৰোপিত শুল্ক পৰিশোধ কৰাৰ দায়বদ্ধতাৰ পৰা মুক্ত কৰাব নোৱাৰে।*

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ : ১৯৯৫-ৰ দেৱানী আবেদন সংখ্যা ৪১৬০।

(মূল ক্ষেত্ৰাধিকাৰ গোচৰ সংখ্যা ৩৭৭৭/৯১-ত কটকৰ উৰিষ্যা উচ্চ ন্যায়ালয়ৰ ২.১২.১৯৯৪ তাৰিখৰ ৰায়দান আৰু আদেশৰ পৰা)

হাজিৰ হোৱা পক্ষসমূহৰ হৈ জয়ন্ত দাস, এ. এন. দাস, উদয় কুমাৰ, ৰাজীৱ দত্ত আৰু ৰাজ কুমাৰ মেহতা।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হয় :

বিশেষ অনুমতিৰ দ্বাৰা দাখিল কৰা এই আবেদন ১৯৯৪-ৰ ২ ডিচেম্বৰ তাৰিখৰ উৰিষ্যা উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠৰ ৰায়দান আৰু আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে।

বৰ্তমানৰ আবেদনখন উদ্ভৱ হোৱাৰ চমু তথ্য তলত উল্লেখ কৰা হ'ল।

আবেদনকাৰীয়ে উৰিষ্যা ৰাজ্যলৈ ভাৰতত প্ৰস্তুত কৰা বিদেশী সুৰা আমদানি কৰিছিল আৰু এটা অনুজ্ঞাপত্ৰপ্ৰাপ্ত সুৰক্ষিত গুদামত সেয়া সংৰক্ষণ কৰিছিল য'ৰপৰা সুৰাখিনি বিক্ৰীৰ বাবে মুকলি কৰাৰ কথা আছিল। যেতিয়া সুৰাখিনি গুদামত সংৰক্ষণ কৰা হৈছিল, সেই আমদানিকৃত সুৰাৰ এটা অংশত গেদ পৰিছিল আৰু সেয়া মানুহে সেৱন কৰাৰ অনুপযোগী বুলি গণ্য কৰা হৈছিল। সেইবাবে সেই মজুত ৰখা সুৰাখিনি ধ্বংস কৰা হৈছিল। আবেনকাৰীলৈ মজুত ৰখা সুৰাৰ ওপৰত ক্ষতিপূৰণৰ শুল্ক হিচাপে

১০.০২.১৮২ টকা পৰিশোধ কৰাৰ এখন জাননী জাৰি কৰা হৈছিল। ক্ষতিপূৰণৰ শুল্কৰ দাবীৰ বৈধতাক আবেদনকাৰীৰ লেখ আবেদন এখনৰ দ্বাৰা প্ৰত্যাহ্বান জনোৱা হৈছিল যিখনৰ শুনানি উচ্চ ন্যায়ালয়ৰ এখন খণ্ড বিচাৰপীঠৰ দ্বাৰা কৰা হৈছিল। এয়া দাবী কৰা হৈছিল যে যিহেতু মজুত ৰখা সুৰা গুদামত “ধ্বংস” কৰা হৈছিল, গতিকে ক্ষতিপূৰণৰ শুল্ক আৰোপ কৰিব নোৱাৰি। ২০.৯.১৯৯৩ তাৰিখে সিদ্ধান্ত গ্ৰহণ কৰা *মোহন মিয়েকিন্স লিমিটেড* বনাম *উৰিষ্যা চৰকাৰ*, ১৯৯১-ৰ অ.জে.চি. সংখ্যা ১৯৭১-ত অনুসৰণ কৰা ১১.৫.১৯৯২ তাৰিখে সিদ্ধান্ত গ্ৰহণ কৰা গোচৰ *পি.ডি. জৈন* বনাম *উৰিষ্যা চৰকাৰ*, ১৯৯৯-ৰ ২২৪১-ৰ ৰায়দানক খণ্ড বিচাৰপীঠৰ সন্মুখত ভিত্তি হিচাপে উত্থাপন কৰা হৈছিল। খণ্ড বিচাৰপীঠে অনুভৱ কৰিছিল যে ওপৰত উল্লেখিত দুটা সিদ্ধান্ত পুনৰ বিবেচনা কৰাৰ প্ৰয়োজনীয়তা আছে। সেই অনুসৰি পূৰ্ণ বিচাৰপীঠৰ আগত এই প্ৰসংগ উত্থাপন কৰা হৈছিল আৰু তেনেদৰে পূৰ্ণ বিচাৰপীঠৰ দ্বাৰা বিষয়টোৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল।

পক্ষসমূহৰ অধিবক্তাসমূহৰ বক্তব্য শুনা হ’ল।

“আবকাৰী শুল্ক” আৰু “ক্ষতিপূৰণ শুল্ক” হৈছে সুপৰিচিত ধাৰণা আৰু এইবোৰ বিভিন্ন পৰিস্থিতিত প্ৰযোজ্য। “আবকাৰী শুল্ক” মূলতঃ সামগ্ৰী প্ৰস্তুতকৰণৰ ওপৰত প্ৰযোজ্য শুল্ক আৰু কৰযোগ্য পৰিঘটনাটো হৈছে আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰীৰ প্ৰস্তুতকৰণ। আনহাতে যেতিয়া আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰী ৰাজ্যলৈ *আমদানি* কৰা হয়, তেতিয়া আবকাৰী শুল্কৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ “ক্ষতিপূৰণ শুল্ক” আৰোপ কৰা হয়, যিটো একেধৰণৰ সামগ্ৰীত আৰোপিত হয় যদিহে সেয়া ৰাজ্যৰ ভিতৰতে প্ৰস্তুত কৰা হয়। ক্ষতিপূৰণ শুল্কৰ পৰিপ্ৰেক্ষিতত প্ৰয়োগকৃত শুল্ক আবকাৰী

শুল্ক ধাৰণাযোগ্য সামগ্ৰীৰ আমদানি অৰ্থাৎ ৰাজ্যত প্ৰৱেশ কৰাৰ সময়ত আৰোপ কৰা হৈছে।

বিহাৰ আৰু উৰিষ্যা আবকাৰী আইন, ১৯১৫ (ইয়াৰ পাছত ‘আইখন’ বুলি উল্লেখিত)-ৰ ধাৰা ২৭ আমদানি, ৰপ্তানি, পৰিবহন, আৰু প্ৰস্তুতকৰণৰ ওপৰত ৰাজ্যৰ শুল্ক আৰোপ কৰিব পৰা ক্ষমতাৰ সৈতে জড়িত। এই ধাৰাটো আবকাৰী শুল্ক আৰু ক্ষতিপূৰণ শুল্ক – এই দুয়োটা ক্ষেত্ৰতে আৰোপ কৰিব পৰা ধাৰা। আনহাতে আইনখনৰ ধাৰা ২৮-টো ধাৰা ২৭-ৰ অধীনত নিৰ্ধাৰণ কৰা শুল্ক আৰোপণৰ উপায়ৰ সৈতে জড়িত। যদিও কৰযোগ্য পৰিঘটনা সংঘটিত হোৱাৰ লগে লগে ক্ষতিপূৰণ শুল্ক বা আবকাৰী শুল্ক মূল্যায়ন আৰু সংগ্ৰহ কৰা প্ৰয়োজনীয়, তথাপিও ৰাজ্যলৈ আমদানিৰ পাছত আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰী সুৰক্ষিত গুদামৰ পৰা বিক্ৰী কৰিলে ধাৰা ২৮-ৰ অধীনত আবকাৰী শুল্ক সংগ্ৰহ মূলতবী ৰখাৰ সুবিধাৰ বিষয়ে উল্লেখ আছে।

‘আৰোপণ’ অভিব্যক্তিটোৱে কৰ আৰোপণৰ পদ্ধতি আৰু কৰ বা শুল্কৰ পৰিমাণ নিৰ্ধাৰণ – এই দুয়োটাকে বুজাব পৰাৰ বিপৰীতে ‘সংগ্ৰহ’ অভিব্যক্তিটোৱে পৰিশোধযোগ্য শুল্ক বা কৰৰ প্ৰকৃত সংগ্ৰহক বুজায়। যিহেতু আবকাৰী শুল্ক বা ক্ষতিপূৰণ শুল্ক প্ৰযোজ্য হোৱাৰ কৰযোগ্য পৰিঘটনাটো হৈছে আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰীৰ ৰাজ্যত প্ৰস্তুতকৰণ বা ৰাজ্যলৈ আমদানি, সেয়েহে কৰযোগ্য পৰিঘটনা সংঘটিত হোৱাৰ লগে লগে শুল্ক আৰোপণ প্ৰযোজ্য হ’ব লাগে আৰু আইন বা তাৰ অধীনত সৃষ্টি কৰা নিয়মাৱলীৰ অধীনত শুল্ক সংগ্ৰহ মূলতবী ৰখাৰ সুবিধাই আমদানিকৃত সামগ্ৰীৰ ওপৰত শুল্ক আৰোপ কৰাৰ ওপৰত কোনোধৰণে প্ৰভাৱ পেলা নোৱাৰে।

বিষয়বস্তুটোৰ এই দৃষ্টিভংগীৰ পৰিপ্ৰেক্ষিতত গোচৰটোৰ প্ৰতিষ্ঠিত তথ্য আৰু পৰিস্থিতিত আবেদনকাৰীৰ ক্ষতিপূৰণ শুল্কৰ দাবী সম্পূৰ্ণৰূপে ন্যায়সংগত। *আমদানিৰ* পাছত সুৰাখিনি মানুহৰ সেৱনৰ বাবে অনুপযোগী বুলি গণ্য কৰা তথা ধ্বংস কৰা, যিটোত আপোনা-আপুনি শুল্ক আৰোপণ প্ৰযোজ্য, সেই তথ্যটোৱে সুৰক্ষিত গুদামত আবকাৰী শুল্ক ধাৰণাযোগ্য সামগ্ৰীৰ আমদানিৰ পাছত আবেদনকাৰীক তাৰ ওপৰত আৰোপিত শুল্ক পৰিশোধ কৰাৰ দায়বদ্ধতাৰ পৰা মুক্ত কৰাব নোৱাৰে। সেয়েহে আবেদনকাৰীৰ দাবীক জনোৱা প্ৰত্যাহ্বানৰ কোনো যুক্তিযুক্ততা বিচাৰি নোপোৱাৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠ সম্পূৰ্ণৰূপে ন্যায়সংগত আছিল। এই আবেদনৰ কোনো যুক্তিযুক্ততা নাই। সেই অনুসৰি ই ব্যৰ্থ হৈছে আৰু ইয়াক খাৰিজ কৰা হৈছে, কিন্তু ব্যয়ৰ কোনো আদেশ প্ৰদান কৰা হোৱা নাই।

আৰ.পি. আবেদন খাৰিজ কৰা হ'ল।

********

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষকঃ-

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be

used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)